জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪১২/২০২০

# বিশিষ্ট সংগীতজ্ঞ ইন্দ্ৰেশ্বৰ শৰ্মাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৯ জুন ঃ** বিশিষ্ট সংগীতজ্ঞ ইন্দ্ৰেশ্বৰ শৰ্মাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ইন্দ্ৰেশ্বৰ শৰ্মাই অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সংগীত জগতলৈ যি অৰিহণা আগবঢ়াই গ'ল সেয়া অসমৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এইগৰাকী সংগীতজ্ঞই ভাৰতীয় শাস্ত্ৰীয় সংগীত আৰু ৰাজ্যৰ থলুৱা সংগীতক বিশেষ মাত্ৰা প্ৰদান কৰিছিল। এগৰাকী শিক্ষক হিচাপেও নিষ্ঠাৰে সেৱা আগবঢ়োৱা প্ৰয়াত শৰ্মা আছিল এগৰাকী খ্যাতনামা বেহেলাবাদক তথা আগশাৰীৰ সংগীত প্ৰশিক্ষক। অসমৰ চলিচ্চত্ৰ জগতৰ সৈতেও নিবিড়ভাৱে জড়িত থকা এইগৰাকী শিল্পীয়ে খ্যাতনামা চলচ্চিত্ৰ পৰিচালক ভৱেন্দ্ৰ নাথ শইকীয়াৰ চলচ্চিত্ৰতো সংগীত পৰিচালনা কৰিছিল। অসমৰ নতুন প্ৰজন্মক তেওঁ ধ্ৰুপদী সংগীতৰ জগতখনৰ সৈতে পৰিচয় কৰোৱাৰ বাবে প্ৰেৰণা যোগাইছিল। এইগৰাকী সংগীতজ্ঞৰ বিয়োগ আমাৰ সাংস্কৃতিক জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ইন্দ্ৰেশ্বৰ শৰ্মাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ/পুঃডেঃ**
**০৯/০৬/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in